**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 08-10-2025
**Time :** 0705 HRS.

ASSAMESE MORNING BULLETIN

**HEADLINES**

**::::::::::::::::::**

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীত ইণ্ডিয়া মোবাইল সন্মিলন ২০২৫ উদ্বোধন কৰিব।

২। ব্ৰিটেইনৰ প্ৰধানমন্ত্ৰী কীৰ ষ্টাৰমাৰ আজি দুদিনীয়া ভ্ৰমণসূচীৰে ভাৰতলৈ আহিব।

৩। ৰাষ্ট্ৰীয় পৰীক্ষণ সংস্থাই ডিচেম্বৰত হ'বলগীয়া ইউ জি চি নেট পৰীক্ষাৰ বাবে পঞ্জীয়নৰ প্ৰক্ৰিয়া আৰম্ভ কৰিছে।

৪। বিশ্ববেংকে ২০২৬ বিত্তীয় বৰ্ষত ভাৰতৰ বিকাশৰ হাৰ ৬ দশমিক ৫ শতাংশ হ'ব বুলি পূৰ্বানুমান কৰিছে। ***আৰু***

৫। মহিলাৰ আই চি চি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত যোৱা নিশা ইংলেণ্ডে বাংলাদেশক ৪ উইকেটত পৰাস্ত কৰে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীত এছিয়াৰ প্ৰধান দূৰসংযোগ আৰু প্ৰযুক্তি অনুষ্ঠান ইণ্ডিয়া মোবাইল সন্মিলন ২০২৫ উদ্বোধন কৰিব। চাৰিদিনীয়া এই সন্মিলনখন নতুন দিল্লীৰ যশোভূমিত অহা ১১ অক্টোবৰলৈ অনুষ্ঠিত হ'ব। **পৰিৱৰ্তনৰ বাবে উদ্ভাৱন**ক মূল বিষয়বস্তু হিচাপে লৈ এই সন্মিলনত দূৰসংযোগ আৰু ডিজিটেল প্ৰযুক্তি খণ্ডত আত্মনিৰ্ভৰশীলতা গঢ়ি তোলাৰ লগতে আত্মনিৰ্ভৰ ভাৰতৰ পদক্ষেপক আগুৱাই লৈ যোৱাৰ লক্ষ্য লোৱা হৈছে। সন্মিলনত 6G পৰিস্থিতি তন্ত্ৰ, চাইবাৰ নিৰাপত্তা, উপগ্ৰহীয় যোগাযোগ, কৃত্ৰিম বুদ্ধিমত্তা, দূৰসংযোগ আদি দিশসমূহত আলোকপাত কৰা হ'ব। এই সন্মিলনত ডেৰ লাখ লোকৰ উপস্থিতি আশা কৰা হৈছে। সন্মিলনত জাপান, কানাডা, ব্ৰিটেইন, ৰাছিয়া, আয়াৰলেণ্ড, অষ্ট্ৰিয়া আদিকে ধৰি বিশ্বৰ ডেৰশখনতকৈও অধিক দেশৰ ৭ হাজাৰতকৈও অধিক প্ৰতিনিধি আৰু ৪০০তকৈও অধিক প্ৰদৰ্শনীত ভাগ ল'বলগীয়া লোকে অংশ ল'ব। সন্মিলনত হ'বলগীয়া এশতকৈও অধিক সত্ৰত ৮০০ গৰাকীতকৈও অধিক বক্তাই ভাষণ দিব।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি মুম্বাইত ভালেমান উন্নয়নমূলক প্ৰকল্প উদ্বোধন কৰিব। ভাৰতক আন্তঃৰাষ্ট্ৰীয় বিমান পৰিবহণৰ কেন্দ্ৰ হিচাপে ৰূপান্তৰ কৰাৰ লক্ষ্যৰ আধাৰত শ্ৰীমোদীয়ে আজি নৱী মুম্বাই আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰৰ প্ৰথম পৰ্যায় মুকলি কৰিব। ভাৰতৰ সৰ্ববৃহৎ সেউজ ক্ষেত্ৰ বিমান বন্দৰ হিচাপে পৰিগণিত হ'বলগীয়া নৱী মুম্বাই আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰটো প্ৰথম পৰ্যায় ১৯ হাজাৰ ৬৫০ কোটি টকা ব্যয়েৰে সম্পূৰ্ণ কৰা হৈছে। এই বিমান বন্দৰটোৰে বছৰি ৯ কোটি যাত্ৰী আৰু ৩২ দশমিক ৫ লাখ মেট্ৰিকটন সামগ্ৰী পৰিবহণত সহায় কৰিব বুলি আশা কৰা হৈছে। আজিৰ ভ্ৰমণৰ সময়ছোৱাত প্ৰধানমন্ত্ৰীয়ে মুম্বাই মেট্ৰ'ৰ তৃতীয় লাইনৰ টু-বি পৰ্যায়টো মুকলি কৰিব। প্ৰায় ১২ হাজাৰ ২০০ কোটি টকা ব্যয়েৰে মুম্বাই মেট্ৰ'ৰ এই ৰে'লপথছোৱা নিৰ্মাণ কৰি উলিওৱা হৈছে। ইয়াৰ লগতে প্ৰধানমন্ত্ৰীগৰাকীয়ে ৩৭ হাজাৰ ২৭০ কোটি

টকাৰো অধিক ধনৰ ব্যয়ৰে নিৰ্মাণ কৰি উলিওৱা মুম্বাই মেট্ৰ'ৰ তৃতীয়টো লাইন ৰাষ্ট্ৰৰ নামত উৎসৰ্গা কৰিব। এই ৰে'লপথছোৱাৰ উদ্বোধনে মহানগৰখনৰ নগৰীয়া যাতায়াত সুচল কৰি তুলিব বুলি আশা কৰা হৈছে। কাইলৈ শ্ৰীমোদীয়ে মুম্বাইত আজি ভাৰতলৈ আহিবলগীয়া ব্ৰিটেইনৰ প্ৰধানমন্ত্ৰী কীৰ ষ্টাৰমাৰক সাক্ষাৎ কৰাৰ কথা আছে।

০০০০০

ব্ৰিটেইনৰ প্ৰধানমন্ত্ৰী কীৰ ষ্টাৰমাৰ আজি দুদিনীয়া ভ্ৰমণসূচীৰে ভাৰতলৈ আহিব। এয়া হ'ব ব্ৰিটেইনৰ প্ৰধানমন্ত্ৰীগৰাকীৰ প্ৰথমটো চৰকাৰী ভাৰত ভ্ৰমণ। বৈদেশিক পৰিক্ৰমা মন্ত্ৰ্যালয়ৰ এটা সূত্ৰই প্ৰকাশ কৰা মতে কাইলৈ মুম্বাইত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু ব্ৰিটেইনৰ প্ৰধানমন্ত্ৰী ষ্টাৰমাৰে **ভিজন ২০৩৫**ৰ ৰূপৰেখা প্ৰস্তুত কৰাৰ বাবে ভাৰত আৰু ব্ৰিটেইনৰ সৰ্বাত্মক কৌশলগত সহযোগিতাৰ অধীনত ৰূপায়িত বিভিন্ন কাৰ্যসূচীৰ অগ্ৰগতিৰ পৰ্যালোচনা কৰিব। এই অংশীদাৰিত্বৰ জৰিয়তে বাণিজ্য আৰু বিনিয়োগ, প্ৰযুক্তি আৰু উদ্ভাৱন, প্ৰতিৰক্ষা আৰু নিৰাপত্তা, জলবায়ু আৰু শক্তি, স্বাস্থ্য, শিক্ষা আৰু জনসাধাৰণৰ মাজৰ পাৰস্পৰিক সম্পৰ্কৰ দৰে গুৰুত্বপূৰ্ণ বিষয়সমূহক অগ্ৰাধিকাৰ প্ৰদানেৰে উভয় দেশে ১০ বছৰীয়া সময় নিৰ্ধাৰিত কাৰ্যসূচী গ্ৰহণ কৰিছে। দুয়োগৰাকী নেতাই পৰস্পৰ স্বাৰ্থজড়িত বিষয়সমূহৰ ক্ষেত্ৰত মত বিনিময় কৰাৰ লগতে দুয়ো দেশৰ মাজৰ অৰ্থনৈতিক আৰু বাণিজ্য চুক্তি সন্দৰ্ভত আলোকপাত কৰাৰ উদ্দেশ্যে ব্যৱসায়িক আৰু ঔদ্যোগিক ক্ষেত্ৰৰ নেতৃস্থানীয় লোকসকলৰ সৈতে বাৰ্তালাপতো ভাগ ল'ব। দুয়োগৰাকী প্ৰধানমন্ত্ৰীয়ে মুম্বাইত হ'বলগীয়া **গ্লোবেল ফিনটেক ফেষ্ট**ৰ ষষ্ঠ সংস্কৰণত অংশগ্ৰহণ কৰিব। ব্ৰিটেইনৰ প্ৰধানমন্ত্ৰী ষ্টাৰমাৰৰ এই ভ্ৰমণে ভাৰত আৰু ব্ৰিটেইনৰ মাজৰ সম্পৰ্ক ত্বৰান্বিত কৰিব বুলি আশা কৰা হৈছে।

০০০০০

ৰাষ্ট্ৰীয় পৰীক্ষণ সংস্থা, এন টি এ-য়ে চলিত বৰ্ষৰ ডিচেম্বৰত হ'বলগীয়া ইউ জি চি নেট পৰীক্ষাৰ বাবে পঞ্জীয়নৰ প্ৰক্ৰিয়া আৰম্ভ কৰিছে। ইচ্ছুক পৰীক্ষাৰ্থীসকলে সংস্থাৰ ৱেবছাইটত থকা লিংকৰ জৰিয়তে পঞ্জীয়ন কৰিব পাৰিব। বিশ্ববিদ্যালয় অনুদান আয়োগ, ইউ জি চি-য়ে জাৰি কৰা বিবৃতি অনুসৰি ৮৫টা বিষয়ত হ'বলগীয়া এই পৰীক্ষাৰ পঞ্জীয়নৰ প্ৰক্ৰিয়া অহা ৭ নৱেম্বৰ পৰ্যন্ত অব্যাহত থাকিব। ১০ৰ পৰা ১২ নৱেম্বৰলৈ পৰীক্ষাৰ্থীসকলে দাখিল কৰা প্ৰ-পত্ৰত থকা ভুলৰ শুধৰণি কৰিব পাৰিব।

০০০০০

কেন্দ্ৰীয় মন্ত্ৰী পীয়ূষ গোৱেলে ওমানত দুৰ্দশাজনক পৰিস্থিতিত আৱদ্ধ হৈ থকা ৩৬ গৰাকী ভাৰতীয় শ্ৰমিকক উদ্ধাৰৰ বাবে পদক্ষেপ লৈছে। উত্তৰ মুম্বাইৰ বিজেপি নেতা গোবিন্দ প্ৰসাদে জনোৱা আহ্বানৰ পাছতে শ্ৰীগোৱেলে এই সন্দৰ্ভত উদ্যম লয়। ওমানলৈ নিয়োগৰ সন্ধানত যোৱা এই শ্ৰমিকসকলে পলমকৈ দৰমহা লাভ, থকা-খোৱাৰ অসুবিধা, পাছপৰ্ট জব্দ, নিয়োগকৰ্তাৰ পৰা ভাবুকি আদিকে ধৰি বিভিন্ন সমস্যাৰ সন্মুখীন হ'বলগা হৈছে। ওমানত থকা ভাৰতীয় দূতাবাসে স্থানীয় কৰ্তৃপক্ষৰ সৈতে ক্ষীপ্ৰতাৰে কাম কৰি শ্ৰমিককেইগৰাকীৰ সন্ধান উলিয়াইছে আৰু স্বদেশলৈ প্ৰত্যাৱৰ্তনৰ সুবিধা প্ৰদান কৰাৰ পূৰ্বে তেওঁলোকক এটা গুৰুদ্বাৰত অস্থায়ীভাৱে আশ্ৰয় প্ৰদান কৰিছে। শ্ৰীগোৱেলে বিদেশত থকা ভাৰতীয় শ্ৰমিকসকলক সুৰক্ষা প্ৰদান কৰাৰ বাবে চৰকাৰৰ প্ৰতিশ্ৰুতিবদ্ধতাক গুৰুত্ব আৰোপ কৰি তেওঁৰ সৈতে থকা চৰকাৰী বিষয়াসকলক এইধৰণৰ ঘটনাসমূহক অগ্ৰাধিকাৰ দিবলৈ নিৰ্দেশ দিয়ে।

০০০০০

ভাৰত-ব্ৰাজিল বাণিজ্য নিৰীক্ষণ ব্যৱস্থা সংক্ৰান্তীয় সপ্তমলানি বৈঠক কালি নতুন দিল্লীত অনুষ্ঠিত হয়। ভাৰতৰ বাণিজ্য সচিব ৰাজেশ আগৰৱাল আৰু ব্ৰাজিলৰ বিদেশ বাণিজ্য সচিব টাটিয়ানা লেচাৰজ প্ৰাজেৰেচে এই বৈঠকত অংশগ্ৰহণ কৰে। দুয়োগৰাকী নেতাই দ্বিপাক্ষিক বাণিজ্য আৰু বিনিয়োগক অধিক শক্তিশালী কৰা, ভাৰত আৰু দক্ষিণ আমেৰিকীয় দেশসমূহৰ আঞ্চলিক বাণিজ্য সংগঠন মৰ্ক'চুৰ পি টি এৰ সম্প্ৰসাৰণকে ধৰি ৰসায়ন, বিত্ত, ঔষধ আৰু এম এচ এম ই খণ্ডত সহযোগিতা বৃদ্ধিৰ বিভিন্ন উপায় সন্দৰ্ভত আলোচনা কৰে। এই বৈঠকৰ ফলাফলসমূহ ব্ৰাজিলৰ উপ-ৰাষ্ট্ৰপতি আৰু ভাৰতৰ বাণিজ্য তথা উদ্যোগ মন্ত্ৰীয়ে পৰ্যালোচনা কৰিব। ব্ৰাজিলৰ উপ-ৰাষ্ট্ৰপতি অহা সপ্তাহত ভাৰত ভ্ৰমণলৈ আহিব। চলিত বছৰৰ জুলাইত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ব্ৰাজিল ভ্ৰমণৰ সময়ত দেশখনৰ ৰাষ্ট্ৰপতি লুইজ ইনাচিঅ' ডা ছিলভাৰ সৈতে হোৱা সাক্ষাৎকালত দুয়োগৰাকী নেতাই অহা ৫ বছৰৰ ভিতৰত দ্বিপাক্ষিক বাণিজ্য দুহেটাৰ কোটি আমেৰিকান ডলাৰলৈ বৃদ্ধি কৰাৰ লক্ষ্য নিৰ্ধাৰণ কৰিছিল।

ooooo

বিশ্ববেংকে ২০২৬ বিত্তীয় বৰ্ষত ভাৰতৰ বিকাশৰ হাৰ ৬ দশমিক ৫ শতাংশ হ'ব বুলি পূৰ্বানুমান কৰিছে। ইয়াৰ পূৰ্বে জুনত বিশ্ববেংকে ভাৰতৰ বিকাশৰ হাৰ ৬ দশমিক ৩ শতাং হোৱাৰ সম্ভাৱনা আছে বুলি প্ৰকাশ কৰিছিল। ঘৰুৱা চাহিদাৰ উল্লেখনীয় বৃদ্ধি, শক্তিশালী ৰূপত গ্ৰামীণ বিকাশ আৰু সংশোধিত সামগ্ৰী আৰু সেৱা কৰ ব্যৱস্থাৰ ইতিবাচক প্ৰভাৱ আদি কাৰণত এই বৃদ্ধি সম্ভৱ হৈছে। বিশ্ববেংকে ইয়াৰ দক্ষিণ এছিয় দেশসমূহৰ বিকাশ সন্দৰ্ভত শেহতীয়াকৈ প্ৰকাশ কৰা প্ৰতিবেদন অনুসৰি উপভোক্তাৰ উল্লেখযোগ্য বৃদ্ধিৰ জৰিয়তে ভাৰত বিশ্বৰ দ্ৰুত বিকশিত প্ৰধান অৰ্থনীতি হৈ থাকিব। অৱশ্যে আমেৰিকাই ৫০ শতাংশ শুল্ক আৰোপ কৰাৰ পৰিণতিত ২০২৭ বৰষত দেশৰ আৰ্থিক বিকাশৰ হাৰ পুনৰ ৬ দশমিক ৩ শতাংশলৈ হ্ৰাস পাব বুলিও বিশ্ববেংকে অনুমান কৰিছে।

ooooo

মহিলাৰ আই চি চি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত যোৱা নিশা গুৱাহাটীৰ বৰ্ষাপাৰা ক্ৰিকেট ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত ইংলেণ্ডে বাংলাদেশক ৪ উইকেটত পৰাস্ত কৰে। এয়া হ'ল প্ৰতিযোগিতাত বাংলাদেশৰ প্ৰথম পৰাজয় আৰু ইংলেণ্ডৰ দ্বিতীয় জয়। খেলখনত প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি বাংলাদেশে দুটা বল বাকী থকা অৱস্থাত ১৭৮ ৰানতে আটাইকেইটা উইকেট হেৰুৱায়। দলটোৰ হৈ শোভানা মোস্তাৰীয়ে সৰ্বাধিক ৬০ ৰানৰ বৰঙণি আগবঢ়োৱাৰ বিপৰীতে ৰাবেয়া খানে ৪৩ ৰান কৰি আউট নোহোৱাকৈ থাকে। ইংলেণ্ডৰ ছফী এক্লেষ্টনে তিনিটা উইকেট দখল কৰে। প্ৰত্যুত্তৰত ইংলেণ্ডে হিথাৰ নাইটৰ ৭৯ ৰানৰ সহায়ত বিজয় লক্ষ্য অতিক্ৰম কৰে। অপৰাজিত হৈ থকা নাইটক প্লেয়াৰ অৱ দা মেচ বঁটা প্ৰদান কৰা হয়।

প্ৰতিযোগিতাত আজি শ্ৰীলংকাৰ কলম্বোৰ আৰ প্ৰেমদাছা ষ্টেডিয়ামত অষ্ট্ৰেলিয়া পাকিস্তানৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি বিয়লি ৩ বজাত আৰম্ভ হ'ব।

ooooo

আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট পৰিষদ, আই চি চি এ-য়ে বিগত ছেপ্তেম্বৰৰ প্লেয়াৰ অৱ দা মান্থ বঁটাৰ বাবে মনোনীত খেলুৱৈসকলৰ তালিকা প্ৰকাশ কৰিছে। তালিকা অনুসৰি পুৰুষৰ শিতানত ভাৰতৰ অভিষেক শৰ্মা আৰু কুলদীপ যাদৱক মনোনয়ন দিয়া হৈছে। তালিকাখনৰ তৃতীয়গৰাকী খেলুৱৈ হিচাপে জিম্বাবুৱেৰ ব্ৰায়ান বেনেটে স্থান লাভ কৰিছে। উল্লেখযোগ্য যে ভাৰতে চেম্পিয়নৰ খিতাপ দখল কৰা সদ্য সমাপ্ত এছিয়া

কাপত অভিষেক শৰ্মাই প্লেয়াৰ অৱ দা টুৰ্ণামেণ্টৰ সন্মান লাভ কৰিছিল। শৃংখলাটোত বাওঁহতীয়া বেটছমেনগৰাকীয়ে ৭ খন খেলত তিনিটা অৰ্ধশতকৰ সহায়েৰে ৩১৪ ৰান সংগ্ৰহ কৰিছিল। ইপিনে কুলদীপ যাদৱে ১৭টা উইকেটেৰে শৃংখলাটোত সৰ্বাধিক উইকেট দখল কৰিছিল।

মহিলাৰ শিতানত ভাৰতৰ স্মৃতি মান্ধানা, পাকিস্তানৰ ছিদ্ৰা আমিন আৰু দক্ষিণ আফ্ৰিকাৰ তাজমিন ব্ৰিটছক মনোনয়ন দিয়া হৈছে। অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে সদ্য সমাপ্ত শৃংখলাত স্মৃতিয়ে প্লেয়াৰ অৱ দা ছিৰিজৰ সন্মান লাভ কৰিছিল। পৰিষদৰ ৱেবছাইটত ভোটগ্ৰহণৰ পাছত এই বঁটা লাভ কৰা খেলুৱৈ দুগৰাকীৰ নাম ঘোষণা কৰা হ'ব।

ooooo

সমাপ্ত